# নতুন নিয়মৰ পত্ৰ সমূহ

**পাঁচনিবিলাকে খ্ৰীষ্টিয়ান সমাজক আৰু চলাওঁতাবিলাকক নিৰ্দেশ দিবলৈ পত্ৰসমূহ লিখিছিল।**


ল'ৰা-ছোৱালীবিলাকক শিকোৱাসকলে L2b অধ্যয়ন পঢ়া উচিত।

**১। প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰ দ্বাৰাই নিজকে প্ৰস্তুত কৰক।**

**প্ৰাৰ্থনা ঃ** "প্ৰভু যীচু, তুমি তোমাৰ লোকবিলাকক অতিকৈ প্ৰীতি কৰা আৰু তোমাৰ পাঁচনিসকলে লিখা পত্ৰবোৰ তেওঁলোকে ভালদৰে বুজি পোৱা আৰু মানি চলাতো তুমি বিচৰা। তেওঁলোকক সহায় কৰিবলৈ মোক দিয়া। আমেন।"

যীচুৰ পাঁচগৰাকী নিৰ্ব্বাচিত পাঁচনিয়ে বিশ্বাসীসকললৈ আৰু তেওঁলোকৰ চলাওঁতাবিলাকলৈ পত্ৰ লিখিছিল, যিবিলাক আমাৰ বাবে বাইবেলৰ নতুন নিয়মত সংৰক্ষণ কৰি থোৱা আছে।

এই পাঁচনিকেইজন হৈছে, যাকোব, পিতৰ, যোহন, যিহুদা আৰু পৌল, তেওঁলোক আটাইকেইজনে যীচুক দেখা পাইছিল। তেওঁলোকে প্ৰথম খ্ৰীষ্টিয় শতিকাতেই লিখিছিল। তেওঁলোকৰ পত্ৰসমূহক চিঠি বুলিও কোৱা হয়।



**যাকোব,** যীচুৰ এজন ভায়েকে খ্ৰীষ্টবিশ্বাসী হ'ল আৰু যিৰূচালেমৰ বিশ্বাসীসকলক পৰিচালনা কৰিছিল। ৰোম সাম্ৰাজ্যত সিঁচৰতি হৈ থকা ইস্ৰায়েলৰ বাৰটা ফৈদৰ পৰা যাকোবৰ পত্ৰখন যিহুদী খ্ৰীষ্টিয়ান বিলাকলৈ লিখিছিল। তেওঁ ঈশ্বৰৰ বাক্যৰে কি কৰিব দিছিল তাক যাকোব ১ঃ২২ পদত চাওঁক।

**পিতৰ,** যেতিয়া যীচুৱে তেওঁৰ মাছ ধৰা ব্যৱসায় এৰিব দিলে তেতিয়া তেওঁ যীচুৰ অনুগামী হ'ল। পিতৰে যদিও ৰাজহুৱা ভাৱে যীচুক অস্বীকাৰ কৰিছিল, তেওঁ অনুতাপ কৰিছিল আৰু যাকোবৰ লগতে লগ হৈ বিশ্বাসীসকলক পৰিচালনা কৰিছিল। তেওঁ ৰোম সাম্ৰাজ্যৰ বিভিন্ন প্ৰান্তত বাস কৰি থকা খ্ৰীষ্টিয়ানবিলাকলৈ পিতৰৰ প্ৰথম আৰু দ্বিতীয় পত্ৰ কেইখন তেওঁলোকক তাড়না পোৱা কালতো বিশ্বাসী হৈ থাকিবলৈ অনুপ্ৰানিত কৰি লিখিছিল। ১ পিতৰ ৫ঃ১০ পদত যীচুৰ কাৰণে দুখভোগ কৰাবিলাকক পিতৰৰ যোগেদি ঈশ্বৰে কি প্ৰতিজ্ঞা কৰিছিল চাওঁক।

যোহন যীচুৱে আহ্বান নকৰালৈকে তেওঁ **যোহন** - বাপ্তাইজকেই অনুসৰণ কৰি আছিল। তেওঁ যীচুৰ প্ৰতি মৰমিয়াল আছিল আৰু আনবোৰকো ঈশ্বৰৰ প্ৰতি আৰু ইজনে-সিজনৰ প্ৰতি তেওঁলোকৰ প্ৰেম দেখুৱাবলৈ উৎসাহ দিছিল। যোহনৰ প্ৰথম পত্ৰখন তেওঁ আটাই খ্ৰীষ্টিয়ানবিলাকলৈ, যোহনৰ দ্বিতীয় আৰু তৃতীয় পত্ৰ কেইখন মণ্ডলীৰ নেতাবিলাকলৈ লিখিছিল। তেওঁ প্ৰথম পত্ৰখন লিখাৰ দুটা কাৰণ ১ যোহন ১ঃ৪ আৰু ৫ঃ১৩ পদত বিচাৰি চাওঁক।

**যিহূদা,** যাকোবৰ দৰেই যীচুৰ এজন ভায়েক আছিল আৰু যিৰূচালেমত এজন নেতা আছিল। তেওঁ মিছা শিক্ষাবোৰে বিশ্বাসীবিলাকক প্ৰতাৰণা কৰা আৰু কিছুমানক লম্পট আচৰণ কৰাত উদগনি দিয়াৰ বিষয়ে সাৱধান কৰি দিবলৈ যিহুদাৰ পত্ৰখন লিখিছিল। তেওঁ পত্ৰখন কিয় লিখিছিল সেই বিষয়ে যিহুদা ১ঃ৩ পদত চাওঁক।

**পৌল** (তাৰ্চৰ চৌল) এটি দৰ্শনৰ যোগেদি যীচুৰ দ্বাৰাই পাঁচনি নিযুক্ত কৰা হৈছিল। যীচুৱে তেওঁক ৰোম সাম্ৰাজ্যৰ বিভিন্ন নগৰলৈ অনা-যিহুদী লোকৰ ওচৰলৈ পঠিয়াইছিল। নতুন নিয়মত ৰোমীয়া, কৰিন্থীয়া, গালাতীয়া, ইফিচীয়া, ফিলিপিয়া আৰু থিচলনীকীয়াৰ লৈ লগতে ফিলিমন, তীমথিয় আৰু তীতৰ দৰে নতুন নেতাবিলাকলৈ পৌলে লিখা পত্ৰবোৰ সংৰক্ষিত কৰি থোৱা আছে। পৌলে হয়তো যিহুদী খ্ৰীষ্টিয়ানবিলাকে পুৰনি নিয়মৰ পশু বলিদান প্ৰথালৈ ঘুৰি যোৱাতকৈ যীচু, যিজন মচীহ তেওঁত যেন বিশ্বাস ৰাখে, এইকাৰণেই ইব্ৰী পত্ৰখন লিখিছিল। ১

কৰিন্থীয়া ৪ঃ১৪ পদত পৌলে কিয় কৰিন্থীয়া লোকলৈ লিখিছিল, চাওঁক।

পাঁচনিবিলাকে সেই সময়ত অনেকে পঢ়িব পৰা গ্ৰীক ভাষাত পত্ৰবিলাক লিখিছিল। তেওঁলোকে নতুন নিয়মত অন্তৰ্ভুক্ত নথকা আন আন পত্ৰবোৰো লিখিছিল। বিশ্বাসীসকলে পাঁচনিবিলাকৰ পত্ৰবোৰ নকল কৰি আনবিলাকলৈ পঠিয়াইছিল। (কলচীয়া ৪ঃ১৬ চাওঁক)।



ওপৰৰ মেপখনত পূব ভূমধ্য সাগৰৰ (তলত) যিবিলাক নগৰলৈ পত্ৰ লিখা হৈছিল, সেইবোৰ চাওঁক।

**২। আপোনাৰ সহকৰ্ম্মীৰ লগত আহি থকা সপ্তাহটোৰ কামবোৰৰ আঁচনি কৰক।**

- আপুনি সদায় যাব নোৱাৰা বিশ্বাসীবিলাকৰ আৰু খ্ৰীষ্টীয় সমাজৰ তালিকা এখন প্ৰস্তুত কৰক।
- তেওঁলোকে আপোনাৰ পৰা কি শিকিব লাগে সেই বিষয়ে আলোচনা কৰি লওঁক।
- প্ৰত্যেকজনৰ বাবে প্ৰাৰ্থনা কৰক।
- পৌলে কৰাৰ দৰে তেওঁলোকক উৎসাহিত কৰিবলৈ পত্ৰলিখক। আপোনালোক সকলো পত্ৰখনত চহী কৰক।


**৩। আপোনাৰ সহকৰ্ম্মীৰ লগত হবলগীয়া উপাসনা সময়ৰ বিষয়ে আঁচনি কৰক।**

প্ৰথম ভাগত চিঠিবোৰ লিখাৰ যি কাৰণবোৰ দিয়া হৈছে সেইবোৰ বুজাই কৈ দিয়ক। এইটোও বুজাই দিয়ক যে খ্ৰীষ্টিয়ানবিলাকে যীচুৰ আদেশ মানি চলাৰ দৰে পাঁচনিবিলাকৰো আদেশ মান্য কৰে।

বিশ্বাসীবিলাকক তেওঁলোকৰ ভাল লগা পদবোৰ কবলৈ দিয়ক।

ল'ৰা-ছোৱালীবিলাকে যুগুত কৰা নাটক আৰু প্ৰশ্নবোৰ কৰিব দিয়ক।

পৌলে যিবিলাক নগৰলৈ পত্ৰ লিখিছিল সেইবিলাক থকা মেপ এখন দেখুওৱাক।



পাঁচজন ডাঙৰ মানুহক, যাকোব, পিতৰ, যোহন, যিহুদা, আৰু পৌলৰ ভাওঁ দিয়ক। তলত দিয়া পৰামৰ্শ অনুসৰি নিজৰ পৰিচয় দিয়ক আৰু তাৰ পাচত আপোনাৰ নিজৰ ক্ষেত্ৰত প্ৰথম ভাগত দিয়া সত্যতাবোৰ বুজাই দিয়ক।

**যাকোব ঃ** "মই আমাৰ প্ৰভূ যীচু খ্ৰীষ্টৰ লগত তেজ আৰু মাংসৰ সম্বন্ধ থকা ভাতৃ, যাকোব। মই যিৰূচালেমত বিশ্বাসীসকলৰ তত্ত্বাৱধায়ক আছিলোঁ, আৰু যিহুদী বিশ্বাসীসকল, যিসকলে বিনা আৰ্জিত প্ৰভুৰ নতুন নিয়মৰ অনুগ্ৰহত বিশ্বাস নকৰি পুৰনি নিয়মৰ বিধানলৈ ঘুৰি যাব বিচাৰিছিল, তেওঁলোকৰ লগত অনবৰতে কষ্ট কৰিবলগীয়া হৈছিল।"

**পিতৰ ঃ** "মই মাছমৰীয়া ! প্ৰতিজ্ঞা কৰা মচীহৰ বিষয়ে কৰা ভৱিষ্যবানীবোৰ যীচুৰে পৰিপূৰ্ণ কৰা মই দেখিছিলো। মই কৈৰিয়া নগৰত প্ৰথম অনা-যিহুদী বিশ্বাসীসকলৰ ওপৰত পবিত্ৰ আত্মা আহি পৰা দেখা পাইছিলো। সেইয়া আঁচৰিত আছিল। অৱশ্যে, এই দৃশ্যই যিৰূচালেমত থকা যিহুদীসকলৰ মাজত অতি গভীৰ প্ৰশ্ন উত্থাপন কৰিছিল।"

**যোহন ঃ** "মই যোহন। মই এই কাৰণেই লিখিছিলো যেন মই কি সাক্ষ্য দিছিলো সেইবিষয়ে মানুহবিলাকে নিশ্চয়কৈ জানে। যীচুৰে বাপ্তিস্ম লোৱাৰ সময়ত পবিত্ৰ আত্মা কপৌৰ দৰে আহি তেওঁৰ ওপৰত পৰা মই দেখিছিলো, আৰু পিতৃৰ মাত স্বৰ্গৰ পৰা শুনা পাইছিলো। যীচুৰে মৃত্যুৰ পৰা উঠাৰ পাচত মই তেওঁক দেখিছিলোঁ।"

**যিহূদা ঃ** "মই যিহূদা, মইয়ো যীচুৰ ভায়েক হওঁ লগত মই গালীলত ডাঙৰ দীঘল হৈছিলোঁ। তেওঁ যেতিয়া প্ৰথম আঁচৰিত কৰ্ম্ম কৰিছিল মই আঁচৰিত হৈছিলোঁ। নাচৰত নগৰৰ আন মানুহবোৰৰ দৰে, মই বিশ্বাস কৰিবলৈ টান পাইছিলোঁ। কিন্তু তেওঁ, যিবোৰ কথা কৈছিল আৰু যিবোৰ কাম কৰিছিল তাৰ কাৰণে তেওঁ যে ঈশ্বৰৰ পুত্ৰ হয় এই কথা মই জানিলোঁ।"

**পৌল ঃ** "মই পাঁচনি পৌল। মই এজন অতি নিয়মনিষ্ঠ ফৰীচ আছিলোঁ আৰু খ্ৰীষ্টত বিশ্বাসীলোকক ঘিণ কৰিছিলোঁ। আৰু দমেচকলৈ যোৱাৰ পথত যীচুৰে নিজকে মোৰ আগত প্ৰকাশ নকৰালৈকে মই তেওঁলোকক অতি নিষ্ঠুৰ ভাবে তাড়না কৰিছিলো ! মই তেওঁক তেওঁৰ গৌৰৱময় অৱস্থাত দেখা পাই বহু সময়লৈকে অন্ধ হৈ গৈছিলোঁ। এতিয়া মই কেৱল তেওঁৰেই সেৱা কৰোঁ।"

প্ৰভুৰ ভোজ পৰিচয় কৰি দিবৰ বাবে ১ যোহন ১ঃ৭-১০ পদলৈকে পঢ়ক। আমি প্ৰভু ভোজ গ্ৰহণ কৰাৰ আগতে সম্পূৰ্ণ পৰিত্ৰজনাৰ আগত আমাৰ পাপবোৰ এই কথা মানি স্বীকাৰ কৰোঁ যে প্ৰভূ যীচু খ্ৰীষ্টৰ পৰাক্ৰমী, পবিত্ৰ তেজেৰে তেওঁ আমাৰ পাপবোৰ ধুই নিয়ে।"

পাঁচনিকৰ্ম্ম পত্ৰৰ শিক্ষাবোৰ মানি চলি কেনেদৰে তেওঁলোকৰ জীৱনবোৰ আশীৰ্ব্বাদপ্ৰাপ্ত হৈছে সেইবিষয়ে বিশ্বাসীসকলক গৌৰৱৰ সাক্ষ্য দিবলৈ দিয়ক।

একেলগে মুখস্থ কৰক ১ যোহন ২ঃ১২-১৩ পদ। তেওঁলোকে নতুন নিয়ম পত্ৰবিলাকৰ বিষয়ে কি শিকিলে সেইবিষয়ে আলোচনা প্ৰাৰ্থনা কামৰ আঁচনিবোৰ নিশ্চিত কৰিবলৈ আৰু ইজনে আনজনক উৎসাহিত কৰিবৰ বাবে দুই বা তিনিজন মানুহেৰে দল গঠন কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net